NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-03-2026 Time : 1340 Hrs.

*Assamese Midday Bulletin*

*HEADLINES*

১। পশ্চিম এছীয়াৰ যুদ্ধসদৃশ পৰিস্থিতিত এখন বিদেশী জাহাজত কৰ্মৰত তিনিজন ভাৰতীয়ৰ মৃত্যু হৈছে।

২। পশ্চিম এছীয়াৰ উত্তেজনাময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত খাৰুৱা তেলৰ মূল্য বৃদ্ধি হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা প্ৰকাশ কৰে।

৪। ৰঙৰ উৎসৱ হোলী বা ফাকুৱা অসমৰ লগতে দেশজুৰি উদযাপন কৰা হৈছে।

***আৰু***

৫। বাৰ্মিংহামত আজি হবলগীয়া অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতে নিজৰ অভিযান আৰম্ভ কৰিব।

পশ্চিম এচিয়াৰ যুদ্ধ সদৃশ পৰিস্থিতিত এখন বিদেশী জাহাজত কাম কৰা ভাৰতৰ তিনিজন জাহাজ কৰ্মীৰ মৃত্যু হোৱাৰ লগতে এজন আহত হয়। জাহাজ পৰিবহন সঞ্চালক প্ৰধানে এই কথা প্ৰকাশ কৰিছে। এইক্ষেত্ৰত সংশ্লিষ্ট সকলো কৰ্তৃপক্ষই ভাৰতীয় জাহাজ কৰ্মীসকলৰ সুৰক্ষা আৰু সাহায্য নিশ্চিত কৰিবলৈ সমন্বয়েৰে কাম কৰি আছে। শেহতীয়া বাতৰি অনুসৰি ভাৰতীয় পতাকা থকা জাহাজত আক্ৰমণ চলা নাই।

০০০০

পশ্চিম এছিয়াৰ উত্তেজনাময় পৰিস্থিতি পৰিপ্ৰেক্ষিতত খাৰুৱা তেলৰ মূল্য কিছু বৃদ্ধি হৈছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত এক দশমিক চাৰি শতাংশ বৃদ্ধিৰে ৭২ দশমিক ২-৩ ডলাৰ হৈছে। একেদৰে ব্ৰেণ্ট ক্ৰুডৰ মূল্যও প্ৰায় এক দশমিক ন শতাংশ বৃদ্ধিৰে ৭৯ দশমি ২ ডলাৰ হৈছে। ইৰানে খাৰুৱা তেল সৰবৰাহৰ অন্যতম প্ৰধান পথ হৰমুজ প্ৰণালীত কৌশলগত কাৰণতে আক্ৰমণ চলোৱাৰ বাবে খাৰুৱা তেলৰ এই মূল্য বৃদ্ধি হৈছে। হৰমুজ প্ৰণালীৰে বিশ্বৰ প্ৰায় ২০ শতাংশ খাৰুৱা তেল সৰবৰাহ হয়। এই পথেদি ভাৰতৰ মুঠ আমদানিৰ ৪০ শতাংশ খাৰুৱা তেলো সৰবৰাহ হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা পষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিশ্ব বন্যপ্ৰাণী দিৱসৰ দিনাই আমাৰ পৃথিৱী আৰু বহনক্ষম পৰিৱেশ তন্ত্ৰক সমৃদ্ধিশালী কৰা জৈৱ বৈচিত্ৰ্য সমূহৰ উদযাপন কৰা হয়। এই দিনটোতে বন্যপ্ৰাণীৰ নিৰাপত্তা আৰু সংৰক্ষণৰ বাবে কাম কৰি থকা লোক সকলৰ প্ৰয়াসকো

প্ৰতিফলিত কৰা হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে বন্যপ্ৰাণীৰ সংৰক্ষণ, বহনক্ষম অনুশীলন আৰু  জৈৱ বৈচিত্ৰ্যসমূহৰ সংৰক্ষণৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ভাৰত পৃথিৱীৰ ভালেসংখ্যক  ব্যতিক্ৰম বন্যপ্ৰাণীৰ আৱাস স্থান। ভাৰতত থকা বাঘৰ সংখ্যাৰ কথা প্ৰকাশ কৰি শ্ৰীমোডীয়ে কয় যে, পৃথিৱীৰ মুঠ বাঘৰ ৭০ শতাংশ ভাৰতত বাস কৰে। তেওঁ কয় যে, ভাৰতত এটা খড়্গ থকা গঁড় পৰ্য্যাপ্ত সংখ্যক আছে আৰু এছীয় হাতীৰ সংখ্যাও যথেষ্ট দেখা যায়। চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহতো প্ৰধানমন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

একেদৰে পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কয় যে, বিশ্ব বন্যপ্ৰাণী দিৱস হৈছে পৃথিৱীৰ জৈৱ বৈচিত্ৰ্যসমূহ উদযাপনৰ এটা দিন। সামাজিক মাধ্যমৰ এটা পʼষ্টত তেওঁ কয় যে, ভাৰত ইয়াৰ চহকী পৰিৱেশ তন্ত্ৰৰ সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। মন্ত্ৰী শ্ৰী যাদৱে কয় যে, ভাৰতে বন্যপ্ৰাণী সংৰক্ষণৰ বাবেই কেৱল কাম কৰি থকা নাই বৰং পৰিৱেশ তন্ত্ৰৰ পুনৰ উদ্ধাৰৰ বাবে যথেষ্ট কাম কৰি আহিছে।

0000000

ৰঙৰ উৎসৱ হোলী বা ফাকুৱা অসমৰ লগতে দেশজুৰি উদযাপন কৰা হৈছে। অসমৰ বৰপেটা সত্ৰ, বটদ্ৰৱা থান, মধুপুৰ সত্ৰ, মাজুলীৰ বিভিন্ন সত্ৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত বিভিন্ন কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। জনসাধাৰণে ইজনে-সিজনক ফাকুৱা সানি আনন্দ-উল্লাখ কৰা পৰিলক্ষিত হৈছে।

পশ্চিমবংগৰ বিভিন্ন স্থানত দৌল যাত্ৰা উদযাপন কৰা হৈছে। আজি পুৱাৰে পৰাই সকলো বয়সৰ লোকে বিশেষকৈ শিশুসকলে ইজনে সিজনক আবিৰ সানি আনন্দত মত্ত হৈ পৰিছে। দৌল উৎসৱ উপলক্ষে ৰাজ্যখনৰ বিভিন্ন স্থানত নাম-সংকীৰ্তন আৰু শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। কালি পৰম্পৰাগত ধৰ্মীয় ৰীতিৰে **হোলী কা দাহন** সম্পন্ন হয়। ৰাজ্যখনৰ নৱদীপ গৌড়ীয়মঠ, বেলুৰমঠ, কলকাতা-মায়াপুৰৰ ইস্কন মন্দিৰ আদিত পৰম্পৰাগত বিশ্বাস, সংগীত আৰু ৰঙেৰে হাজাৰ হাজাৰ ভক্তই দৌল উৎসৱ উদযাপন কৰিছে।

00000

পশ্চিম এছিয়াত চলি থকা সংঘৰ্ষ জৰ্জৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বʼৰ্ডে দশম আৰু দ্বাদশ শ্ৰেণীৰ বাবে পূৰ্বে নিৰ্ধাৰিত পৰীক্ষাৰ সূচী স্থগিত ৰাখিছে। পূৰ্বৰ নিৰ্ধাৰিত পৰীক্ষাৰ সূচী মতে অহা ৫ আৰু ৬ মাৰ্চত পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছিল। বাহৰেইন, ইৰাণ, কুৱেইট, ওমান, ছৌডি আৰৱ, কাটাৰ আৰু সযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰত চলি থকা ঘটনা প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি বʼৰ্ডে এই পৰীক্ষা স্থগিত ৰখা বুলি শিক্ষাৰ্থী আৰু বিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰে। পৰীক্ষাৰ নতুন সূচী পাছত ঘোষণা কৰা হʼব বুলি বʼৰ্ডৰ ফালৰ পৰা জনোৱা হৈছে। বʼৰ্ডে অহা বৃহস্পতিবাৰে পৰিস্থিতিৰ পৰ্যালোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব।

0000000

# All England Badminton Championship 3-3-26

বাৰ্মিংহামত আজি হ’বলগীয়া অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতে নিজৰ অভিযান আৰাম্ভ কৰিব। ভাৰতৰ ১২ জনীয়া দলটোৱে প্ৰতিযোগিতাৰ পাঁচোটা শাখাতে অংশগ্ৰহণ কৰিছে। আমেৰিকা-ইৰাণৰ সংঘাতৰ মাজতে উপসাগৰীয় আকাশমাৰ্গ বন্ধ হোৱাৰ ফলত ডুবাইত আবদ্ধ হৈ পৰাৰ বাবে দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। পুৰুষৰ একক শাখাত লক্ষ্য সেনে প্ৰথম ৰাউণ্ডত বিশ্বৰ ১ নং আৰু ডিফেণ্ডিং চেম্পিয়ন চীনৰ শ্বি ইউ ছিৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

মহিলাৰ একক শাখাত মালবিকা বানছ’ডে প্ৰথম ৰাউণ্ডত অলিম্পিক চেম্পিয়ন তথা বিশ্বৰ ৩ নং স্থানৰ চীনৰ চেন ইউফেইৰ বিৰুদ্ধে এখন প্ৰত্যাহ্বান পূৰ্ণ খেলত অংশ লব। উন্নাটি হুডাই থাইলেণ্ডৰ অষ্টম বাছনি

প্ৰাপ্ত পৰ্ণপাৱী চ’চুৱঙৰ বিৰুদ্ধে খেলিব। মহিলাৰ ডাবলছত ট্ৰিছা জলী আৰু গায়ত্ৰী গোপিচাণ্ডে জাপানৰ অভিজ্ঞ যুটি ছায়াকা হিৰোটা আৰু আয়াকো ছাকুৰামোটোৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্টোৰ মিক্সড ডাবলছ যুটিয়ে মালয়েছিয়াৰ হু পাং ৰন আৰু চেং ছু য়িনৰ বিৰুদ্ধে মুখামুখি হ’ব। পুৰুষৰ ডাবলছত বিশ্বৰ প্ৰাক্তন ১ নং স্থানৰ যুটি সাতৱিকছাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে কাইলৈ মালয়েছিয়াৰ কাং খাই জিং আৰু এৰন টাইৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।0000

ইণ্ডোনেছিয়াৰ সুমাত্ৰা দ্বীপত আজি ৬ দশমিক ২ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভাৰতীয় সময়মতে পুৱা ১০ বাজি ২৬ মিনিটত হোৱা এই ভূমিকম্প ইণ্ডোনেছিয়াৰ ২০ কিলোমিটাৰ গভীৰলৈ অনুভূত হয়।অৱশ্যে এই ভূমিকম্পত এতিয়ালৈ কোনো লোক হতাহত বা ক্ষয়ক্ষতি হোৱাৰ খবৰ লাভ কৰা নাই।

ইৰাণতো আজি ৰিখটাৰ স্কেলত ৪ দশমিক ৩ প্ৰাবল্যৰ ভূমিকম্পৰ জোঁকাৰণি অনুভূত হয়।

0000000